# জ্যোতি দিৱস



অনুষ্ঠানত সম্বৰ্ধিত মৃণালিনী দেৱী

নতুন প্ৰজন্মই জ্যোতি চৰ্চা কৰিব লাগিব। নতুন প্ৰজন্মৰ মাজত নৈতিক চেতনা জগাই তুলিবৰ বাবে জ্যোতিপ্ৰসাদৰ দৰে প্ৰাতঃস্মৰণীয় এজন বৰেণ্য ব্যক্তিৰ অৱদান সমূহৰ চৰ্চাৰ বৰ প্ৰয়োজন হৈছে। নৱ প্ৰজন্মই জ্যোতি প্ৰসাদক জানিলে-চিনিলেহে জ্যোতি দিৱসৰ সাৰ্থকতা থাকিব— অসম সাহিত্য সভাৰে ২০২২ বৰ্ষৰ কেন্দ্ৰীয় জ্যোতি দিৱসত এই তাৎপৰ্যপূৰ্ণ মন্তব্য অসম সাহিত্য সবাৰ উপ-সভাপতি মৃণালিনী দেৱীৰ। নগাঁও জিলাৰ হাতীচোং মৌজাৰ অন্তৰ্গত চকলাঘাট ৰাস মন্দিৰ প্ৰাঙ্গণৰ ক্ষেমকান্ত বৰা সমন্বয় ক্ষেত্ৰত নগাঁও জিলা সাহিত্য সভাৰ উদ্যোগত আৰু চকলাঘাট শাখা সাহিত্য সভাৰ ব্যৱস্থাপনাত যোৰা ১৭ জানুৱাৰি তাৰিখে অনুষ্ঠানটি উদ্‌যাপিত হয়।

পুৰা মূল  পতাকা উত্তোলন কৰে নগাঁও জিলা সাহিত্য সভাৰ সভাপতি পৰাণ কুমাৰ বৰুৱাই। পতাকা উত্তোলনৰ অন্তত চকলাঘাট শাখা সাহিত্য সভাৰ সভাপতি বিশিষ্ট শিশু সাহিত্যিক ত্ৰৈলোক্য ভট্টাচাৰ্য, চকলাঘাট ৰাস মন্দিৰ পৰিচালনা সমিতিৰ সভাপতি ক্ষিতেশ্বৰ বৰা, আদৰণি সমিতিৰ সভাপতি অনন্ত শইকীয়া, চকলাঘাট ৰাস মন্দিৰৰ নামঘৰীয়া মোহন মুদৈ, বিশিষ্ট শিক্ষাবিদ অশোক কুমাৰ বৰঠাকুৰকে প্ৰমুখ্যে কৰি অঞ্চলৰ মুঠ ১০৫ গৰাকী সন্মানীয় ব্যক্তিৰ দ্বাৰা অসম সাহিত্য সভাৰ ১০৫ সংখ্যক বৰ্ষপূৰ্তিৰ ১০৫ গছি বন্তি প্ৰজ্জ্বলন কৰা হয়। তুলাৰাম ভূএগ্ৰা সোঁৱৰণি স্মৃতিচাৰণ ক্ষেত্ৰত জ্যোতি তৰ্পণ কাৰ্যসূচীৰ শুভাৰম্ভ কৰি অসম সাহিত্য সভাৰ প্ৰধান সম্পাদক যাদব চন্দ্ৰ শৰ্মাই জ্যোতি দিৱসৰ তাৎপৰ্য দাঙি ধৰে। জ্যোতি প্ৰসাদ প্ৰতিচ্ছবিত মাল্যপ্ৰদান কৰে নগাঁও জিলা সাহিত্য সভাৰ উপ-সভাপতি থথিত মহন্তই।

ইয়াৰ পিছতে অনুষ্ঠিত হোৱা ‘স্বাগত স্বাগত সতীৰ্থ’ শীৰ্ষক সাংস্কৃতিক অনুষ্ঠানটি উদ্বোধন কৰে লোক সংগীতৰ জনপ্ৰিয় শিল্পী জীনা ৰাজকুমাৰীয়ে। কপাহেৰাৰ বৃন্দাবনী সাৰংগ কলা কেন্দ্ৰৰ শিশু শিল্পীসকলৰ নৃত্যানুষ্ঠানেৰে আৰম্ভ হোৱা অনুষ্ঠানত তৰুণ শইকীয়া, জিতু শ্ৰাৱন, কৃষ্ণভজিৎ শইকীয়া, ৰাজেশ কোঁৱৰ, কৃষ্টি কন্যা শইকীয়া, হৰিহৰশ্বিদ আদি আমন্ত্ৰিত শিল্পীসকলে গীত পৰিৱেশন কৰি ক্ষেমকান্ত বৰা সমন্বয় ক্ষেত্ৰ উজ্জ্বলাই তোলে। এই অনুষ্ঠানতে চকলাঘাট শাা সাহিত্য সভাই প্ৰবীন শিল্পী গোপাল বৰাক সম্বৰ্ধনা জনায়। ইয়াৰ পিছতে লোকশিল্পী গুণ শইকীয়া সোঁৱৰণি মঞ্চত অসম সাহিত্য সভাৰ উপ-সভাপতি মৃণালিনী দেৱীৰ পৌৰোহিত্যত অনুষ্ঠিত  মুকলি সভা উদ্বোধন কৰে বিশিষ্ট সাহিত্যিক, পদ্মশ্ৰী বঁটা প্ৰাপক ড° সূৰ্য হাজৰিকাই। সভাত বিশিষ্ট অতিথিৰূপে নগাঁৰৰ আনন্দৰাম ঢেকিয়াল ফুকন মহাবিদ্যালয়ৰ অধ্যক্ষ ড° সুৰজিৎ ভাগৱতী, নিৰ্দিষ্ট বক্তাৰূপে তেজপুৰৰ লোকপ্ৰিয় গোপীনাথ বৰদলৈ কন্যা মহাবিদ্যালয়ৰ অধ্যক্ষ ড° তপন কলিতা আৰু সন্মানীয় অতিথিৰূপে নগাঁও সদৰ সমষ্টিৰ বিধায়ক ৰূপক শৰ্মা উপস্থিত থাকে।

সভাৰ প্ৰধান সম্পাদক যাদব চন্দ্ৰ শৰ্মাই উদ্দেশ্য ব্যাখ্যা কৰা চকলাঘাট শাখা সাহিত্য সভাৰ সম্পাদক কল্যাণ কুমাৰ বৰাই আঁতধৰা সভাখনত বিশিষ্ট শিল্পী গম্ভীৰ শইকীয়া, কুটিৰ শিল্পী দছেন গগৈ, ছিপাঝাৰৰ খুলীয়া ভাউৰীয়া ওজা হেমৰাম কুমাৰ, ওজাপালি, দেওধনী নৃত্যৰ প্ৰশিক্ষক টংকেশ্বৰ শইকীয়া আৰু তেজপুৰৰ ভাওনাৰ প্ৰবীন শিল্পী ৰোহিত শইকীয়াক বিশেষভাৱে সম্বৰ্ধনা জনোৱা হয়। বিশিষ্ট শিল্পী ৰঞ্জন বেজবৰুৱাই গীত পৰিৱেশনেৰে উপস্থিত ৰাইজক মনমুগ্ধ কৰি তোলা সভাখনিত ‘গম্ভীৰ শইকীয়াৰ ৰছিত ‘কৃষ্ণ তুমি বজোৱাচোন সেই বাঁহীৰ সুৰ’ দীপ্তি দেৱী শৰ্মাৰ ‘নীড়হাৰা পখীৰ ক্ৰন্দন’ আৰু শুভ্ৰ গিৰিমালাৰ ‘শিখৰে শিখৰে’ নামৰ তিনিখন গ্ৰন্থ উন্মোচন কৰা হয়। মুকলি সভাত অসম সাহিত্য সভা প্ৰাক্তন প্ৰধান সম্পাদক পদুম ৰাজখোৱা, সচিব চন্দন শৰ্মা, নগাঁও জিলা আঞ্চলিক কাৰ্যালয়ৰ সম্পাদক মৃণাল হাজৰিকা, কেন্দ্ৰীয় ৰাজেন ৰোহি দাস, দুৰ্লভ ৰাজুৱাৰ, ৰমেন ভৰালী, ভৱেশ মেধি, আবুল খায়েৰ আহমেদকে ধৰি বিনু লস্কৰ, মৃগাঙ্ক বৰা, প্ৰদীপ শইকীয়াকে ধৰি জিলা আৰু বহুকেইখন শাখা সাহিত্য সভাৰ বিষয়ববীয়াসকল উপস্থিত থাকে।